
# পৰিস্থিতি তন্ত্ৰ পুনঃনিৰ্মাণ

✍জানমণি বৰা

পৰিস্থিতি তন্ত্ৰ পুনঃনিৰ্মাণ বা পুনঃসস্থাপন হৈছে এনে এক প্ৰচেষ্টা, য'ত ধ্বংসৰ গৰাহত পৰা পৰিস্থিতি তন্ত্ৰ এটাক আগৰ অৱস্থালৈ সম্পূৰ্ণৰূপে ঘূৰাই আনিবলৈ প্ৰয়াস কৰা হয়। পৰিস্থিতি তন্ত্ৰ হৈছে প্ৰকৃতিৰ কাৰ্যকৰী একক। বিভিন্ন কাৰণত পৰিস্থিতি তন্ত্ৰ এটা ধ্বংসৰ গৰাহত পৰিব পাৰে। আধুনিক পৃথিৱীত প্ৰধানকৈ মানৱসৃষ্ট কাৰণতেই বিভিন্ন পৰিস্থিতি তন্ত্ৰসমূহ ধ্বংসৰ গৰাহত পৰিছে। এনেকৈ ধ্বংসপ্ৰাপ্ত বা ধ্বংসৰ গৰাহত পৰা সকলোবোৰ পৰিস্থিতি তন্ত্ৰৰ সম্পূৰ্ণ বা আংশিক পুনঃনিৰ্মান সম্ভৱ নহয় যদিও বহুতো পৰিস্থিতি তন্ত্ৰৰ পুনঃনিৰ্মাণ নিতান্তই সম্ভৱ। পৃথিৱীৰ বিভিন্ন ঠাইত এনে পুনঃনিৰ্মাণ সমন্ধীয় বহুতো প্ৰকল্প ইতিমধ্যে সফলতাৰে সম্পন্ন কৰা হৈছে।পৰিস্থিতি তন্ত্ৰৰ পুনঃনিৰ্মাণৰ ক্ষেত্ৰত এনে সফলতাই মানৱ জাতিলৈ এক আশাৰ সংকেত কঢ়িয়াই আনিছে। সেয়েহে ২০২১ বৰ্ষৰ ৫ জুনত ৰাষ্ট্ৰসংঘৰ উদ্যোগত উদযাপিত হোৱা বিশ্ব পৰিৱেশ দিৱসৰ মূলমন্ত্ৰ হৈছে পৰিস্থিতি তন্ত্ৰৰ পুনঃনিৰ্মাণ। উল্লেখযোগ্য যে, ৰাষ্ট্ৰসংঘই ইতিমধ্যে ২০২১-৩০ ৰ দশকটো




পৰিস্থিতি তন্ত্ৰৰ পুনঃনিৰ্মাণ দশক হিচাপে ঘোষণা কৰিছে।

বিভিন্ন কাৰণত পৰিস্থিতি তন্ত্ৰ একোটা ধ্বংসৰ গৰাহত পৰিব পাৰে। কিছুমান কাৰণ হ'ব পাৰে প্ৰাকৃতিক--যেনে, উল্কাপিণ্ড বা ধুমকেতুৰ আঘাত, ভূমিকম্প, আগ্নেয়গিৰি, বানপানী, জলবায়ুৰ পৰিৱৰ্তন, বনজুই, মাটিৰ অৱক্ষয় ইত্যাদি। আন কিছুমান কাৰক নিতান্তই মানৱসৃষ্ট। অৰণ্য ধবংস, প্ৰদূষণ, উদ্যোগীকৰণ, জৈৱ ইন্ধনৰ ব্যৱহাৰ আদিয়েই হৈছে বৰ্তমান পৃথিৱীৰ পৰিস্থিতি তন্ত্ৰ সমূহৰ ধবংসৰ মূল মানৱসৃষ্ট কাৰণ। পৰিস্থিতি তন্ত্ৰ এটা পুনঃনিৰ্মাণ কৰাৰ প্ৰকল্প যুগুত কৰোঁতে এই আটাইবোৰ কথা বিবেচনা কৰা হয়।

বিজ্ঞানৰ এক শাখা হিচাপে পুনঃনির্মাণ বিজ্ঞানৰ ইতিহাস বৰ বেছি দীঘলীয়া নহয়। উনবিংশ শতিকাৰ শেষচোৱাতহে ই পশ্চিমীয়া দেশসমূহত চৰ্চা লাভ কৰে। ই পূৰ্ণবিকশিত হয় বিংশ



শতিকাৰ মধ্যাংশত। এই বিজ্ঞানৰ মূল নীতিসমূহ পৰিস্থিতি বিজ্ঞানৰ বিভিন্ন বিষয়বস্তু যেনে--আবাদী, অনুক্ৰমণ, আবাদী বশংগতি বিজ্ঞান, পাৰিৰৈশিক কাৰক---আদিৰপৰাই আহৰণ কৰা হয়। অন্যৰ্থত, পৰিস্থিতি তন্ত্ৰ পুনঃনিৰ্মাণ বিজ্ঞানৰ ঘাইশিপা গভীৰভাৱে প্ৰোথিত হৈ থাকে পৰিস্থিতি বিজ্ঞানৰ মাজত।

বৰ্তমান পৃথিৱীৰ বিভিন্ন দেশত ধ্বংসৰ গৰাহত পৰা পৰিস্থিতি তন্ত্ৰসমূহক পুনঃনিৰ্মাণ কৰাৰ কাম চলি আছে।তাৰে এটা বিশেষভাৱে সফল প্ৰকল্পৰ কথা তলত উল্লেখ কৰা হৈছে।

## ৰাজেন্দ্ৰ সিং আৰু ৰাজস্থানৰ জল সংকট

ৰাজেন্দ্ৰ সিং (১৯৫৯----) ভাৰতৰ জলমানৱ হিচাপে পৰিচিত। তেখেতে ১৯৮৫ চনৰ পৰা কাম কৰি অতিশয় শুষ্ক অঞ্চল হিচাপে পৰিচিত ৰাজস্থানত জলসংকট দূৰ কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। তাৰবাবে তেখেতক ২০০১ চনত মেগচেচে বঁটা প্ৰদান কৰা হয়।

ৰাজস্থানৰ মৰু অঞ্চলৰ বসবাসীসকলে পূৰ্বতে "জহাদ" ব্যৱস্থাৰ দ্বাৰা বৰষুণৰ পানী সংৰক্ষণ কৰি ব্যৱহাৰ কৰিছিল। কিন্তু গভীৰ নলীনাদ আৱিস্কৃত হোৱাৰ পিছত তেওঁলোকে পৰম্পৰাগত জহাদ পদ্ধতি ত্যাগ কৰি গভীৰ নলীনাদ ব্যাপকভাৱে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। তাৰ ফলত অতি সোনকালে মৰু অঞ্চলৰ ভূজলৰ পৰিমাণ নিম্নগামী হয় আৰু তাৰ প্ৰভাৱ বনাঞ্চলতো পৰে। ১৯৮৫ চনৰ আশে পাশে ৰাজস্থানৰ আলৱাৰ জিলাক ভূজলৰ Dark Zone হিচাপে ঘোষণা কৰা হয়। ৰাজেন্দ্ৰ সিং আৰু তেওঁৰ সহযোগীসকলে আলৱাৰৰ প্ৰায় ১৬০ খন গাঁৱত তিনি হাজাৰতকৈয়ো অধিক জহাদ পুনৰ সক্ৰিয় কৰি তোলে ফলস্বৰূপে অতি কম দিনৰ ভিতৰত উক্ত অঞ্চলৰ ভূজলৰ পৰিমাণ ৬ মিটাৰ পৰ্যন্ত বৃদ্ধি পায় আৰু

ধ্বংস হোৱা বনাঞ্চলৰ ৩৩ শতাংশ পুনৰ গঢ় লৈ উঠে । তাতোকৈয়ো ডাঙৰ কথা, ৰাজেন্দ্ৰ সিঙৰ এই প্ৰচেষ্টাতে পাঁচখনকৈ শুকাই যোৱা নদী পুনৰ ব'বলৈ আৰম্ভ কৰে। আলৱাৰৰ পৰিস্থিতি তন্ত্ৰৰ পুনঃনিৰ্মাণৰ এই সফলতা নিসন্দেহে প্ৰশংসাযোগ্য।

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত বৰ্তমান মানৱ জাতি উন্নয়নৰ জখলাত দোপতদোপে আগবাঢ়িছে। কিন্তু প্ৰত্যেকটো উন্নয়নৰ আঁচনিৰ প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিছে প্ৰকৃতিৰ ওপৰত। এতিয়া প্ৰকৃতি ধ্বংস আৰু উন্নয়ন এক পৰস্পৰ বিপৰীতমুখী প্ৰক্ৰিয়া। মানৱ জাতিৰ বৈষয়িক উন্নয়নৰ অনন্ত অভিলাসৰ কুফল এতিয়া পৃথিৱীৰ অন্যান্য জীৱকূলে ভোগ কৰিছে। এনে পৰিস্থিতি তন্ত্ৰৰ পুনঃনিৰ্মানেই হৈছে ধ্বংসমুখী পৃথিৱীক ৰক্ষা কৰাৰ একমাত্ৰ উপায়। বিংশ শতিকা যেনেদৰে আছিল বিজ্ঞান আৰু প্ৰযুক্তিৰ শতিকা, ঠিক তেনেদৰে একবিংশ শতিকা হ'ব লাগিব প্ৰকৃতি পুনঃনিৰ্মাণৰ শতিকা, আৰু তেতিয়াহে পৃথিৱীত অন্যান্য জীৱৰ লগতে মানুহৰো ভৱিষ্যত সুনিশ্চিত হ'ব।



********************